# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কোৱাড ৰাষ্ট্ৰ গোষ্ঠী ভাৰত-প্ৰশান্তমহাসাগৰীয় অঞ্চলৰ সুস্থিৰতা, প্ৰগতি আৰু সমৃদ্ধিৰ গুৰুত্বপূৰ্ণ শক্তিৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় পাৰমানবিক শক্তি আৰু মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে ২০২৪ বৰ্ষ ভাৰতীয় মহাকাশ ক্ষেত্ৰৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিছে।

৩। দিল্লীত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক গতিবিধি ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

৪। নেপালৰ লুম্বিনী প্ৰদেশৰ ৰূপানদেহীৰ চলঝণ্ডিত আজি সূৰ্যকিৰণ শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হৈছে।

*আৰু*

৫। দিল্লী এছ্ জি পাইপাৰ্ছ আজি নিশা ৰুলকেল্লাত হবলগীয়া হকী ইণ্ডিয়া লীগ হকী প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ টুফান্সৰ সন্মুখীন হব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কোৱাড ৰাষ্ট্ৰ গোষ্ঠী ভাৰত-প্ৰশান্তমহাসাগৰীয় অঞ্চলৰ সুস্থিৰতা, প্ৰগতি আৰু সমৃদ্ধিৰ গুৰুত্বপূৰ্ণ শক্তিৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে। ড° জয়শংকৰে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনী ৰং, জাপানৰ বিদেশ মন্ত্ৰী তাকেশী ইৱায় আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক সচিব এণ্টনি ব্লিংকেনৰ সৈতে অঞ্চলটোৰ আৱশ্যকতা পূৰণ কৰাৰ প্ৰতি পুনৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। কোৱাডৰ কুৰি সংখ্যক বাৰ্ষিকী উপলক্ষে জাৰি কৰা ৰাষ্ট্ৰগোষ্ঠীটোৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীসকলৰ এটা যুটীয়া বিবৃতিত বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ বাবে জৰুৰীকালীন ব্যৱস্থাৰ বাবে আৰম্ভ কৰা কোৱাড ৰাষ্ট্ৰগোষ্ঠী পূৰ্ণাঙ্গ সহযোগিতালৈ ৰূপান্তৰিত হৈছে বুলি প্ৰকাশ কৰা হৈছে। বিবৃতিটোত লগতে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহে এতিয়া ভাৰত প্ৰশান্ত মহাসাগৰ অঞ্চলৰ সহযোগী ৰাষ্ট্ৰসমূহৰ সৈতে একেলগে কাম কৰিব বুলিও উল্লেখ কৰা হৈছে। কোৱাডৰ সদস্য ৰাষ্ট্ৰসমূহে জলবায়ু পৰিৱৰ্তন, কৰ্কট ৰোগ আৰু অন্যান্য মহামাৰী প্ৰতিৰোধৰ প্ৰচেষ্টাৰ পৰা গুণগত আন্তঃগাঁথনি নিৰ্মাণ, সন্ত্ৰাসবাদ প্ৰতিহতকৰণৰ প্ৰয়াস, চাইবাৰ সুৰক্ষা আদি প্ৰত্যাহ্বানসমূহৰ বিৰুদ্ধে কাম কৰি আছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। তদুপৰি ছুনামীত ক্ষতিগ্ৰস্ত ভাৰত-প্ৰশান্তমহাসাগৰীয় খণ্ডৰ লাখ লাখ লোকলৈ এই ৰাষ্ট্ৰ গোষ্ঠীৰ ৪০ হাজাৰৰো অধিক জৰুৰীকালীন সাহায্য দল আৰু অন্যান্য অংশীদাৰে সহায়ৰ হাত আগবঢ়াই আহিছে। ২০০৪ চনত ভাৰত মহাসাগৰত হোৱা ভূমিকম্প আৰু ছুনামীত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ উদ্দেশ্যে অষ্ট্ৰেলিয়া, ভাৰত, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰক লৈ কোৱাড ৰাষ্ট্ৰগোষ্ঠী গঠন কৰা হৈছিল।

০০০০০

কেন্দ্ৰীয় পাৰমানবিক শক্তি আৰু মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে ২০২৪ বৰ্ষ ভাৰতীয় মহাকাশ ক্ষেত্ৰৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ডঃ সিঙে কয়, যে বছৰটো এক্সপোছেটৰ উৎক্ষেপনৰে আৰম্ভ হয় আৰু পাছত আদিত্য এল ৱান অভিযানকো নিৰ্ধাৰিত কক্ষপথত স্থাপন কৰা হয়। ইয়াৰ পাছত আগষ্টত প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হয় আৰু কালি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই স্পেডেক্স সম্পৰীক্ষা আৰম্ভ কৰে। বছৰটোত গগনযান অভিযানৰ বাবেও কেইবাটাও পৰীক্ষা সম্পন্ন হোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে স্পেডেক্স সম্পৰীক্ষা ডকিং প্ৰণালীৰ ক্ষেত্ৰত দেশে কৰা প্ৰথম সম্পৰীক্ষাসমূহৰ অন্যতম। গগনযান আৰু ভাৰতীয় মহাকাশ কেন্দ্ৰ কাৰ্যসূচী পৰৱৰ্তী পৰ্যায়ত ডকিং প্ৰণালী ব্যৱহাৰ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতৰ মন্ত্ৰ অনুসৰি এই অভিযান হাতত লোৱা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে স্পেডেক্স অভিযানত সফলতাৰে দেশত পুনৰাই গৌৰবান্বিত কৰাৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ শলাগ লয়।

০০০০০

দিল্লীত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক গতিবিধি ক্ৰমাৎ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দিল্লী বিজেপিয়ে আম আদমী পাৰ্টী চৰকাৰৰ দিনত মহানগৰীখনক দুৰ্নীতি আৰু অপশাসনে চানি ধৰা বুলি অভিযোগ তুলি ঠায়ে ঠায়ে পোষ্টাৰ লগাই শাসকীয় দলটোক সমালোচনা কৰিছে। একেদৰে বায়ু প্ৰদূষণ, চিকিৎসা আৰু পানীৰ সমস্যাকে ধৰি ভালেমান বিষয়ক লৈ শাসকীয় দলটোৰ বিৰুদ্ধে বিজেপি সৰৱ হৈ পৰা দেখা গৈছে।

আনহাতে বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ এটা নিৰ্দেশনাক লৈ আম আদমী পাৰ্টীক কঠোৰ সমালোচনা কৰে। শিশুৰ অংশগ্ৰহণেৰে আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আতিশিয়ে চলোৱা ৰাজনৈতিক প্ৰচাৰ অভিযান সামাজিক মাধ্যম এক্সৰ পৰা প্ৰত্যাহাৰ কৰাৰ বাবে আয়োগে দিয়া নিৰ্দেশক লৈ দলীয় মুখপাত্ৰগৰাকী শাসকীয় দলটোৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। আপৰ নেতৃবৰ্গই তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে শিশুসকলক ব্যৱহাৰ কৰা বুলি শ্ৰী ভাটিয়াই নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত অভিযোগ কৰে।

০০০০০

নেপালৰ লুম্বিনী প্ৰদেশৰ ৰূপানদেহীৰ চলঝণ্ডিত আজি সূৰ্যকিৰণ শীৰ্ষক অষ্টাদশ ভাৰত-নেপাল সামৰিক অনুশীলন আৰম্ভ হৈছে। এই যুটীয়া সামৰিক অনুশীলনত অৰণ্যত যুদ্ধ, কঠিন ভৌগোলিক অঞ্চলত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত মানৱীয় সাহায্য প্ৰদানৰ লগতে অন্যান্য বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। দুসপ্তাহজোৰা এই সামৰিক অনুশীলনত ভাৰতীয় স্থল সেনাৰ একাদশ গোৰ্খা ৰাইফল আৰু নেপালী সেনাৰ শ্ৰী জাং বেটেলিয়নে অংশগ্ৰহণ কৰিছে। এই যুটীয়া সামৰিক অনুশীলনৰ দ্বাৰা ভাৰত আৰু নেপালৰ মাজৰ ব্যৱসায়িক সহযোগিতা, বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু আস্থা বৃদ্ধি হোৱাৰ লগতে সাংস্কৃতিক সম্পৰ্ক অধিক প্ৰসাৰিত হ'ব বুলি আশা কৰা হৈছে। এই যুটীয়া অনুশীলনৰ সপ্তদশ সংস্কৰণ যোৱা বছৰ পিথোৰাগড়ত অনুষ্ঠিত হৈছিল। এতিয়ালৈ যুটীয়া প্ৰশিক্ষণত অংশগ্ৰহণ কৰা নেপালৰ সৈনিকৰ সংখ্যা ৪ হাজাৰ ২১৫ জন হোৱাৰ বিপৰীতে ভাৰতীয় সৈনিকৰ সংখ্যা ৪ হাজাৰ ৪৪২। এই যুটীয়া অনুশীলন ২০১০ চনত আৰম্ভ হৈছিল।

০০০০০

অসম চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত ৰাজ্যখনৰ ৰাজধানী মহানগৰ গুৱাহাটীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেঁতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ

আৰক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। এই সেতুখনত দিব্যাংগসকলৰ বাবে লিফ্‌ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱাৰ ভাগত এই পদসেঁতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত নিৰ্মাণ কৰা বৰদলৈ দেৱৰ আৰক্ষ প্ৰতিমূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱনো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ শিলপুখুৰী নৱগ্ৰহ শ্মশানৰ দাঁতিতে লাগি থকা এই শান্তিস্থলৰ পুনৰ নিৰ্মাণৰ বাবে অসম চৰকাৰে প্ৰায় এক কোটি ২৬ লাখ টকা ব্যয় কৰিছে।

০০০০০

২০২৪ বৰ্ষত দেশৰ আইনী পৰিকাথামোৰ আধুনিক আৰু আন্তৰাষ্ট্ৰীয় মানৰ কৰি তোলাৰ বাবে ভালেমান গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন অথবা নতুন আইন প্ৰৱৰ্তন কৰা হয়। জাহাজ নিৰ্মাণ, বেংকিং, ৰেলৱে, বিমান পৰিবহন আৰু অন্য ক্ষেত্ৰসমূহৰ সুদৃঢ়কৰণৰ বাবে এই সংস্কাৰ সাধন কৰা হয়। ২০২৪ বৰ্ষত আওপুৰণি আইনৰ ঠাইত ভালেমান নতুন বিধেয়ক গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত নতুন ভাৰতীয় ফৌজদাৰী আইন অন্যতম।

০০০০০

সমগ্ৰ বিশ্ববাসীয়ে আজি স্থানীয় সংস্কৃতি আৰু পৰম্পৰাগত ৰীতি অনুসৰি পুৰণিক বিদায় দি নৱবৰ্ষক আদৰিবলৈ সাজু হৈছে। ২০২৫ বৰ্ষক আদৰিবলৈ সাজু হোৱা বিশ্বৰ ডাঙৰ চহৰ সমূহৰ ভিতৰত নিউজিলেণ্ড, অকলেণ্ড অন্যতম কিয়নো সহস্ৰাধিক জনগনে প্ৰদৰ্শন কৰা আইকনিক স্কাই টাৱাৰত আয়োজিত ৰং বিৰঙণী পোহৰে নিশাৰ আকাশ আলোকময় কৰি তুলিব। এই কাৰ্যত সমগ্ৰ বিশ্বৰ লাখ লাখ লোকে অংশগ্ৰহণৰ সম্ভাৱনা আছে। ইয়াৰ পাছতে ল্যাণ্ডমাৰ্ক হাৰ্বাৰ ব্ৰীজ আৰু অপেৰা হাউচত আতচবাজী প্ৰদৰ্শনৰ যোগেদি অষ্ট্ৰেলিয়া আৰু চিডনীবাসীয়েও নৱবৰ্ষক আদৰণি জনাব।

একেদৰে ইন্দোনেচিয়াৰ বালি, চিংগাপুৰৰ মেৰিনা বে, ডুবাইৰ বুৰ্জ খালিফা, নিউয়ৰ্কৰ টাইমছ স্কোৱাৰত আতচবাজী প্ৰদৰ্শনেৰে আগনন লোকে বছৰৰ প্ৰথম দিনটো উদ্‌যাপন কৰিব।

অসমতো জনসাধাৰণে সংগীত, সমূহীয়া ভোজ আদিৰে ইংৰাজী নৱবৰ্ষক আদৰিবলৈ সাজু হোৱা পৰিলক্ষিত হৈছে।

০০০০০

দিল্লী এছ জি পাইপাৰ্ছ আজি নিশা ৰুলকেল্লাত হবলগীয়া হকী ইণ্ডিয়া লীগ হকী প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ টুফান্সৰ সন্মুখীন হব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বাজি ১৫ মিনিটত আৰম্ভ হ'ব।

যোৱা নিশা ইউ পি ৰুদ্ৰাছে প্ৰতিযোতিৰ এখন খেলত যোৱাবাৰৰ চেম্পিয়ন কলিংগ লেন্সাৰ্চক ৩-১ গলত পৰাস্ত কৰে।

০০০০০

সমাপ্ত